**2 0 1 5**

# ASSAMESE

( Major )

Paper : 1.1

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়া : ১×১০=১০

(ক) 'লোকগীত' কাক বোলে ?

(খ) আখ্যানমূলক লোকগীতৰ ভাগকেইটা কি কি ?

(গ) মাধৱ কন্দলিৰ পৃষ্ঠপোষক ৰজাজন কোন আছিল ?

(ঘ) শঙ্কৰদেৱৰ সাহিত্যিক জীৱনৰ কীৰ্তিস্তম্ভ কোনখন ?

(ঙ) মাধৱদেৱে ৰচনা কৰা একমাত্ৰ কাব্যখনৰ নাম কি ?

(চ) 'লৱ-কুশৰ যুদ্ধ' কাব্যৰ ৰচক কোন ?

(ছ) 'গীতি ৰামায়ণ' কাৰ ৰচনা ?

(জ) লিপি কাক বোলে ?

(ঝ) 'নগাজৰী খনিকৰ গাঁৱৰ শিলালিপি'ৰ সময় কিমান ?

(ঞ) 'কানাই বৰশীবোৱা শিলালিপি' ক'ত পোৱা গৈছে ?

২। এটা বা দুটা শাৰীত চমু উত্তৰ দিয়া : ২×৫=১০

(ক) ঐতিহাসিক মালিতা কি? দুটা বা তিনিটা বাক্যত লিখা।

(খ) মাধৱ কন্দলীৰ ৰামায়ণৰ কোন দুটা কাণ্ড, কোনে ৰচনা কৰিছিল?

(গ) 'পাঁচালী' শব্দৰ উৎপত্তিৰ দুটা মূল উল্লেখ কৰা।

(ঘ) শঙ্কৰদেৱ-মাধৱদেৱৰ বিৰচিত গীতসমূহক বৰগীত বোলাৰ দুটা কাৰণ উল্লেখ কৰা।

(ঙ) লিপি চৰ্চাৰ চাৰিটা সমল বা উপাদান উল্লেখ কৰা।

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) লোকসাহিত্যৰ বৈশিষ্ট্যসমূহ কি কি, আলোচনা কৰা।

(খ) অনুষ্ঠানমূলক লোকগীতৰ বিষয়ে এটা টোকা লিখা।

(গ) দুৰ্গাবৰৰ কাব্য-প্ৰতিভা সম্পৰ্কে চমুকৈ লিখা।

(ঘ) পাঁচালী সাহিত্যৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

(ঙ) মাধৱদেৱৰ 'নামঘোষা'ক কিয় শ্ৰেষ্ঠ ৰচনা আখ্যা দিয়া হয়?

(চ) বামুনীয়া লিপি সম্পৰ্কে এটা চমু টোকা লিখা।

(ছ) অঙ্কীয়া নাটত সূত্ৰধাৰৰ ভূমিকা সম্পৰ্কে চমুকৈ উল্লেখ কৰা।

৪। তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) অসমীয়া আখ্যানমূলক লোকগীত সম্পৰ্কে এটা টোকা লিখা।

(খ) সাধুকথা কাক বোলে? উৎস আৰু বিষয়বস্তুৰ ফালৰ পৰা সাধুকথাক কেইটা ভাগত ভাগ কৰিব পাৰি? সাধুকথা সম্পৰ্কে এটা আলোচনা আগবঢ়োৱা।

(গ) 'জুনা' কাক বোলে? 'কপাহৰ জুনা'ৰ বিষয়বস্তুৰ আভাস দিয়া।

(ঘ) হৰিবৰ বিপ্ৰৰ কাব্য-প্ৰতিভা সম্পৰ্কে আলোচনা কৰা।

(ঙ) যি কোনো এজন পাঁচালী কবিৰ কাব্যৰ বিষয়ে এটি চমু আলোচনা আগবঢ়োৱা।

(চ) শঙ্কৰদেৱৰ অঙ্কীয়া নাটৰ বিষয়ে আলোচনা কৰা।

(ছ) মধ্যযুগৰ অসমীয়া লিপি সম্পৰ্কে এটা টোকা লিখা।

(জ) 'ডুবিৰ তাম্ৰশাসন' আৰু 'নগাজৰী খনিকৰ গাঁৱৰ শিলালিপি' সম্পৰ্কে চমু টোকা লিখা।

★★★